

পাঠ ১২

# আগতে নিজে নিকা হ’





আনক ধোৱাৰ আগতে ভাই
নিজে নিকা হ’—
নিজৰ হিয়া-মনৰ মলি
ধুই পখালি ল’—
আনক কোৱাৰ আগখিনিতে
নিজে সঁচা ক’—
নিজ সত্যত নিজৰ ৰূপত
দৃঢ়তাৰে ৰ’—
তেহে হ’ব হোৱা, লোৱা, কোৱা, ৰোৱা ঠিক,—
জীৱন ভৰাই জমা হ’ব ধন-সোণ আত্মিক।

কবি—অম্বিকাগিৰী ৰায়চৌধুৰী

*(উৎস— অম্বিকাগিৰী ৰায়চৌধুৰী ৰচনাৱলী। সম্পাদনা— ড° সত্যেন্দ্ৰ নাথ শৰ্মা, প্ৰকাশক—অসম প্ৰকাশন পৰিষদ, পৃষ্ঠা-৪৬৫)*

## ক্ৰিয়া-কলাপ

### ক — পাঠভিত্তিক



**পদ্যটি শুদ্ধ উচ্চাৰণেৰে পঢ়া।**



**পদ্যটি আবৃত্তি কৰা।**



**উত্তৰ লিখা।**

(ক) পদ্যটিৰ ৰচক কোন?

(খ) কবিয়ে আনক ধোৱাৰ আগতে নিজকে কি হ’বলৈ কৈছে?

(গ) কবিৰ মতে নিজক নিকা কৰিবলৈ হ’লে কি কি কৰিব লাগে?

(ঘ) কবিৰ মতে আনক সঁচা কথা ক’বলৈ উপদেশ দিয়াৰ আগতে নিজে কি কৰিব লাগে?

তলৰ শব্দবোৰৰ অৰ্থ শব্দ-সম্ভাৰ চাই শিকোঁ আহা

নিকা     পখালি     দৃঢ়তা     আত্মিক

কবিৰ মতে জীৱনত কেনেকৈ ধন-সোণ জমা কৰিব পাৰি লিখা।

পদ্যকেইফাকি বুজাই লিখা।

(ক) 'নিজৰ হিয়া-মনৰ মলি
ধুই পখালি ল'—

(খ) 'আনক কোৱাৰ আগখিনিতে
নিজে সঁচা ক'



পদ্যটি গদ্যৰূপত কোৱা আৰু লিখা।

**খ — ভাষা অধ্যয়ন (ব্যৱহাৰিক ব্যাকৰণ)**

'আত্মিক' শব্দটোত 'ত্ম' যুক্তাক্ষৰটো আছে। যুক্তাক্ষৰটো ভাঙি চাওঁ আহা —

ত + ম = ত্ম     তই   মই   ত্ম

এনেধৰণৰ 'ম' যোগ হোৱা পাঁচটা যুক্তাক্ষৰ লিখি প্ৰত্যেকৰে দুটাকৈ শব্দ লিখা।

জানো আহা

তোমালোকে পদ্যটোত হ' ল' ক' ৰ'— এইকেইটা ক্ৰিয়াপদ পাইছা। আদেশ বা অনুৰোধ বুজাবলৈ ক্ৰিয়াৰ যি ৰূপ ব্যৱহাৰ কৰা হয় তাক **অনুজ্ঞা** বোলে। অনুজ্ঞাৰ দুই পুৰুষ— **দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ**; তাৰ কাল দুটা, **নিত্য বৰ্তমান কাল** আৰু **ভৱিষ্যত কাল**।

কাল আৰু পুৰুষ অনুসাৰে ওপৰৰ ক্ৰিয়াপদকেইটাত কেনেদৰে বিভক্তি যোগ হৈছে সিপিঠিত চোৱা—

## অনুজ্ঞাৰ বিভক্তি

| কাল | দ্বিতীয় পুৰুষ | | তৃতীয় পুৰুষ |
|---|---|---|---|
| | তুচ্ছাৰ্থত বা অনাদৰ অৰ্থত<br>তই, তহঁত | আদৰ অৰ্থত<br>তুমি, তোমালোক | সি, আপুনি, তেখেত |
| নিত্য বৰ্তমান কাল আৰু ভৱিষ্যত কাল | অ<br>ইবি | আ<br>ইবা | অক বা ওক<br>ইব |

| কাল | দ্বিতীয় পুৰুষ | | তৃতীয় পুৰুষ |
|---|---|---|---|
| | তুচ্ছাৰ্থত বা অনাদৰ অৰ্থত | আদৰ অৰ্থত | |
| নিত্য বৰ্তমান কাল | ল, ৰ<br>ক, হ | লোৱা<br>ৰোৱা<br>কোৱা<br>হোৱা | লওঁক, হওঁক<br>ৰওঁক<br>কওঁক |
| ভৱিষ্যত কাল | ল'বি, ৰ'বি<br>ক'বি, হ'বি | ল'বা<br>ৰ'বা<br>ক'বা<br>হ'বা | ল'ব<br>ৰ'ব<br>ক'ব<br>হ'ব |



**'গা' আৰু 'খা' ক্ৰিয়াপদকেইটা (অনুজ্ঞা)ত বিভক্তি যোগ কৰি নিত্য বৰ্তমান আৰু ভৱিষ্যত কালৰ ৰূপত লিখা।**

*(অনুজ্ঞাৰ নিত্য বৰ্তমান কালৰ দ্বিতীয় পুৰুষৰ আদৰ অৰ্থত আঁ যোগ হোৱাৰ কথা পৰম্পৰাগত ব্যাকৰণত আছে। আধুনিক অসমীয়াত চন্দ্ৰবিন্দু (ঁ) টো উঠি গৈছে।)*



**তলৰ শব্দকেইটাৰে বাক্য ৰচনা কৰা।**

হিয়া-মন  ধুই পখালি  দৃঢ়তা  নিকা

 তলৰ শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা।


সত্য　　নিজৰ　　জমা　　আত্মীয়　　নিকা

### গ— জ্ঞান সম্প্ৰসাৰণ

 তোমাৰ মনটো ভালে ৰাখিবলৈ কি কি কাম কৰিবা দলত আলোচনা কৰি লিখা। (ধ্যান, প্ৰাৰ্থনা আদিৰ দৰে কাম)

 অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাটো আবৃত্তি কৰিবলৈ শিকা।

## ভাঙিব লাগিব শিল





তই ভাঙিব লাগিব শিল,—
নোৱাৰোঁ বুলিলে নহ'ব যে ভাই
ঢিলতে পৰিব ঢিল।
ক্ষত-বিক্ষত অঙ্গ আৱৰি
মুখেদি ৰক্ত পৰিব বাগৰি,
কলিজাকণিও পৰিব ভাগৰি,
তেহে খুলি যাব খিল।
পৰি মৰি উঠি কোবাব লাগিব,
তেহে পাষাণৰ বক্ষ ভেদিব,
তেহে সুৰধুনী মাতৃ জাগিব,
লৈ খৰ শতধাৰ—
শত জনমৰ কলঙ্ক কালিমা,
পূজি সাঁচি লোৱা গোলামি গৰিমা,
উটুৱাই নিব বাঢ়িব মহিমা,
তেহে, ক'লা-বগা হ'ব মিল।

কবি - অম্বিকাগিৰী ৰায়চৌধুৰী

*(উৎস— অম্বিকাগিৰী ৰায়চৌধুৰী ৰচনাৱলী, পৃষ্ঠা — ৪৯৪। সম্পাদনা— ড° সত্যেন্দ্ৰ নাথ শৰ্মা। প্ৰকাশক - অসম প্ৰকাশন পৰিষদ, ।)*

*( ইং ১৯২১ চনত অম্বিকাগিৰী ৰায়চৌধুৰীয়ে তেজপুৰৰ জেলত থাকোঁতে এই গীতটো ৰচনা কৰিছিল। )*

  কেতিয়াবা তুমি এৰাব নোৱৰা পৰিস্থিতিত বাধ্য হৈ মিছা কথা ক'বলগীয়া হ'ব পাৰে। তেনে পৰিস্থিতিৰ বিষয়ে কোৱা আৰু লিখা।



কবিয়ে কৈছে— 'নিজৰ হিয়া-মনৰ মলি
ধুই পখালি ল'—

— হিয়া-মনৰ মলি কেনেকৈ আঁতৰাব পাৰি সেই বিষয়ে দলত আলোচনা কৰি কোৱা আৰু লিখা।



## ঘ — প্ৰকল্প

- তোমালোকৰ বিদ্যালয় আৰু ওচৰৰ অঞ্চলত থকা বিভিন্ন ভাষা-ভাষী লোকৰ মাজত কেনেকৈ মিলা-প্ৰীতি গঢ় লৈ উঠিছে, বৰ্ণনা কৰি টোকা প্ৰস্তুত কৰা। (সম্ভৱ হ'লে কাম-কাজৰ ফটো সংগ্ৰহ কৰি সংযোগ কৰিবা।)

- তোমালোকৰ বিদ্যালয় আৰু ওচৰৰ অঞ্চলত বিভিন্ন ভাষা কোৱা লোক আছে। সেই ভাষাবোৰৰ এখনি তালিকা প্ৰস্তুত কৰা। প্ৰতিটো ভাষাৰে দহটাকৈ শব্দ তলৰ তালিকাত লিখা।

| অঞ্চলৰ নাম | ভাষাৰ নাম | শব্দ |
|---|---|---|
| | | |

☞ *ছাত্ৰ-ছাত্ৰীয়ে প্ৰকল্পৰ কাৰ্যটো কৰোঁতে সহায় কৰিব।*

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## পাঠ ১২

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পদ্যটো স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা
- পদ্যটো ভাব প্ৰকাশ হোৱাকৈ আবৃত্তি কৰিব পৰা
- পদ্যটোৰ জৰিয়তে মূল্যবোধৰ ভাব জন্মা
- মূল্যবোধ থকা পদ্য পঢ়িবলৈ আগ্ৰহী হোৱা
- আত্মবিশ্লেষণৰ জৰিয়তে নিজকে সংশোধন কৰিবলৈ শিকা
- একে অৰ্থ প্ৰকাশক শব্দ, বিপৰীত অৰ্থ প্ৰকাশক শব্দ আদিৰ জৰিয়তে শব্দ ভাণ্ডাৰ চহকী কৰা
- পদ্যটি গদ্যৰূপত লিখিব পৰা
- আদেশ বা অনুৰোধ বুজোৱা ক্ৰিয়াপদ (অনুজ্ঞা)ৰ ধাৰণা পোৱা
- নিজৰ চিন্তা আৰু যুক্তিৰে লিখিব পৰা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| পদ্য | পদ্যটো শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা | পদ্যটো আবৃত্তি কৰিব পৰা | পাঠত থকা নতুন শব্দৰ অৰ্থ জনা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | পদ্যৰ দফা বুজাই লিখিব পৰা | |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | ত্ম-যুক্তাক্ষৰেৰে শব্দ গঠন কৰিব পৰা | অনুজ্ঞাত বিভক্তি যোগ কৰি ক্ৰিয়াপদ লিখিব পৰা | বাক্য ৰচনা কৰিব পৰা | বিপৰীত অৰ্থ বুজোৱা শব্দ লিখিব পৰা | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | দলত আলোচনা কৰি মন নিকা হোৱাৰ উপায় উলিয়াব পৰা | পৰিস্থিতি অনুসৰি কথা ক'ব পৰা | যুক্তি দৰ্শাই লিখিব পৰা | দেশপ্ৰেম মূলক পদ্য আবৃত্তি কৰিব পৰা | | |
| | | | | | | |
| প্ৰকল্প | নিজ অঞ্চলৰ বিভিন্ন ভাষা-ভাষী লোকৰ মাজত গঢ়ি উঠা মিলা-প্ৰীতিৰ বিষয়ে বৰ্ণনা কৰি টোকা লিখিব পৰা | | নিজৰ অঞ্চলৰ বিভিন্ন ভাষাৰ তালিকা কৰিব পৰা | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*